স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ৰাব্দ ☐ ২ মে' ২০২৬ চন ☐ VOL-16 ☐ NO-57 ☐ SATURDAY 2 MAY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUG

### উত্তৰ-পূব ভাৰতত জিলিকিল ডিব্ৰুগড়ৰ শিক্ষানুষ্ঠান

## ২০২৫-২৬ বৰ্ষৰ শ্ৰেষ্ঠ এনচিচিৰ শিক্ষানুষ্ঠানৰ বঁটাৰ বাবে নিৰ্বাচিত কানৈ

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১ মে' ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ক উত্তৰ-পূব ভাৰতৰ শ্বিলংস্থিত এনচিচিৰ সঞ্চালকালয়ে ২০২৫-২৬ বৰ্ষৰ শ্ৰেষ্ঠ এনচিচিৰ শিক্ষানুষ্ঠানৰ বঁটাৰ বাবে নিৰ্বাচিত কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনোৱা মতে মহাবিদ্যালয়ৰ এনচিচিৰ কেডেটসকলে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন শিবিৰত দেখুওৱা পাৰদৰ্শিতাৰ লগতে মহাবিদ্যালয়ৰ এনচিচিৰ এএনঅ' ড° পৰাগজ্যোতি চুতীয়াৰ তত্ত্বাৱধানত অনুষ্ঠিত বিভিন্ন ধৰণৰ সামাজিক সেৱামূলক কাৰ্যসূচী যেনে ৰক্তদান, সজাগতামূলক কাৰ্য, কেডেটসকলৰ বি আৰু চি প্ৰমাণ-পত্ৰৰ পৰীক্ষাত দেখুওৱা ভাল ফলাফলৰ ওপৰত ভিত্তি কৰি শ্বিলংস্থিত এনচিচিৰ সঞ্চালকালয়ে এই বঁটাৰ বাবে নিৰ্বাচিত কৰিছে। ৪, ৫, আৰু ৬ মে'ত সমগ্ৰ উত্তৰ-পূব ভাৰতক সামৰি শ্বিলঙৰ এনচিচিৰ সঞ্চালকালয়ত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত মহাবিদ্যালয়খনক এই বঁটা প্ৰদান কৰা হ'ব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই গভীৰ সন্তুষ্টি প্ৰকাশ কৰি কয়— এই বঁটা মহাবিদ্যালয়খনৰ বাবে এক গৌৰৱৰ বিষয়। এএনঅ' ড° পৰাগজ্যোতি চুতীয়াৰ নেতৃত্বত আৰু কেডেটসকলৰ অক্লান্ত পৰিশ্ৰম আৰু নিষ্ঠাই আজি




সমগ্ৰ উত্তৰ-পূবত কানৈ মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰিছে। এই সাফল্য কেৱল মহাবিদ্যালয়খনৰে নহয়, সমগ্ৰ ডিব্ৰুগড়বাসীৰ বাবে গৌৰৱ। মন কৰিবলগীয়া যে উত্তৰ-পূব ভাৰতৰ শ্বিলংস্থিত এনচিচিৰ সঞ্চালকালয়ে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত কানৈ মহাবিদ্যালক শ্ৰেষ্ঠ শিক্ষানুষ্ঠান নিৰ্বাচিত কৰাৰ লগতে শ্ৰেষ্ঠ কাৰিকৰী মহাবিদ্যালয় হিচাপে আগৰতলাৰ নেচনেল ইনষ্টিটিউট অৱ টেকনলজী আৰু বিদ্যালয় পৰ্যায়ত গুৱাহাটিস্থিত ছেণ্ট ফ্ৰেঞ্চিচ ডে চেল বিদ্যালয়ক শ্ৰেষ্ঠ বিদ্যালয় হিচাপে নিৰ্বাচিত কৰে। মহাবিদ্যালয়খনৰ মুঠ দহজন এনচিচিৰ কেডেটক বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ অসাধাৰণ প্ৰদৰ্শনৰ বাবে এনচিচিৰ উত্তৰ-পূৰ্বাঞ্চলৰ অতিৰিক্ত মহাপৰিচালকৰ তৰফৰ পৰা বিশেষ প্ৰশংসা পত্ৰৰে সন্মানিতে কৰে। মহাবিদ্যালয়খনৰ এনচিচি কেডেট ৰাজু দাসে দিল্লীত অনুষ্ঠিত চলিত বৰ্ষৰ গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীৰ ৰেলীত অংশ লোৱাৰ বিৰল সুযোগ লাভ কৰাৰ লগতে কেডেট দেৱাশীষ দত্তই গণৰাজ্য দিৱসৰ সাংস্কৃতিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অসাধাৰণ প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছিল।

## মেলাম

নিয়মীয়া বাৰ্তা, 
পৰীক্ষাত মেলাম
৮১.৬২ উত্তীৰ্ণ
স্কুলখনৰ ১৮৫গ

## বান্দ

নিয়মীয়া বা
গড়ভগা বান
অঞ্চলবাসী
বান্দৰমাৰী
নিতাই পুখুৰী
সন্মিলন-২০
বন্তি প্ৰজ্বল
পিছতে বিহ
উদ্‌যাপন সমি
পিছতে যুৱ
গছপুলি ৰো
৯.৩০ বজাত
ৰাজীৱ শদিয়
শ্যাম গগৈয়ে
আৰু স্থানীয়
চিত্ৰাংকন
বান্দৰমাৰী
পশু চিকিৎস